সৰুতে আইটী, মাকক সুধিলে, 'মোৰ লগত কি বস্তু দিবা ?'
'মোৰ আই সুমলী, সোণৰ দোৰপতি, মহুৰা কাঠিকো নিবা ॥'
ৰৰঘৰত কান্দিলে, নেওথনি-যতৰে, মাৰলত কান্দিলে ভনী।
বাৰীৰ পিছে কালে, কান্দে তাঁতশালে, আইটীক বিয়া দিব শুনি ॥
চালতে কান্দিছে, লেটায়ে চেৰেকি, মড়লত কান্দিছে মাকে।
সমাজৰ মাজতে, পিতাদেউ কান্দিছে, কেনৈ কান্দিব লাগে ॥

প্রকৃতিৰ সকলো পদার্থ আৰু মানুহৰ ভিতৰেদি আত্মাৰ একেডালি কনকসূত্ৰ দেখা ইংৰাজ কবি ৱৰ্ডছ্‌ৱৰ্থৰ সেই সত্যৰ চৰম বিকাশ অর্থাৎ প্রকৃতি আৰু মানৱৰ অভেদ-আত্মাৰ চূড়ান্ত নিদর্শন অমৰ কবি কালিদাসৰ "শকুন্তলা" আৰু তাৰো চতুর্থ অঙ্কত বাজে যেনেকৈ আন ক'তো পাবলৈ নাই; অসমীয়া তিৰুতাৰ লগতো তাঁত-সূত, লেটাই-চেৰেকিৰ এনে নেৰা-নেপেৰা মৰ্ম্মভেদী সম্বন্ধ ওপৰৰ গীত কেফাকিৰ দৰে আন সাহিত্যত পাবলৈ আশা কৰা ভুল। এই একে করুণ সুৰতে আকৌ—

আইদেউৰ মজিয়াত, কোনে উমলিলে, কৰ্চন চৰাইৰে পাখি।
আন্ধাৰি মজিয়া, পোহৰাই আছিলা, ৰামে লৈ যাব আজি ॥
ইটাৰ গড়ে মাৰি, সীতাই তুলা ধুনে, বাতে নাৰেৰতী সূতা।
নিবলৈ আহিছে, লোকৰ ৰামচন্দ্র, যাবলৈ লাগিছে চিতা ॥
আগেয়ে ককাইদেউ, কৈ ফুৰিছিলা, আইদেউ কতবাৰ খায়।
এতিয়া ককাইদেউ, চোৰাঁ মন কৰি, বৰ ঘৰ শুদা হৈ যায় ॥
উচুপি উচুপি, নাকান্দা আইটী, আমাৰ পুৰি আছে হিয়া।
পুত্ৰ হলাহেতেন, ৰখাই থলোঁহেতেন, কিকৈ দিওঁ মাধৱত বিয়া ॥

এই গীতবোৰৰ ঘন করুণ-ৰসৰ উপৰিও শব্দবাচনি, উপমা, অনুপ্রাস আদি সকলো অতি মনোৰম। "ইটাৰ গড়ে মাৰি সীতাই তুলা ধুনে" নামটিত "ইটা", "সীতা", "বাটে", "নাৰেৰতী সূতা", "চিতা" আদিত "ত"ৰ; আৰু "নিবলৈ", "লোকৰ", "লাগিছে" আদিত "ল"ৰ অপূৰ্ব্ব সমাবেশে এটি অভিনৱ সৌন্দৰ্য্য সম্পাত কৰিছে। সৰলতা বিষয়ত ওপৰৰ শেষফাকি নামত "পুত্ৰ হলাহেতেন, ৰখাই থলোঁহেঁতেন" আদি ভাৱ-ব্যঞ্জনাৰ চৰম প্রান্তত উপনীত হৈছে। এইদৰে চাওঁতে চাওঁতে আইটীৰ বিচ্ছেদ-ভাৱনা ইমান

জীৱন্ত হৈ উঠিলগৈ যে ই সহনৰ সীমা পাৰ হৈছে—“আইটী নামেৰে, কন্যা স্মতুলিবা, গৰ্ভতো নিদিবা ঠাই !”

এই গীতবোৰত ইমান সৌন্দৰ্য-সন্নিবেশ আছে, সেই বুলি জানো কৰবাত অকণো চেষ্টাৰ ছাঁ পৰিছে ? বাগ্দেবীৰ নিজ মুখেহে যেন সেইবোৰ ওলাই পৰিছে ! এই নামবোৰৰ ( ঘোষা ) জাতবোৰো এনে মিঠা, এনে অনুপম ! যেনে,—“সীতা ! আইদেউ নবহে, দলিছা তিতা !!” তিতা দলিছাত আইদেউ বহিবই বা কিয় ? আইদেউহে যি ৰূপহী !—

ইকৰাৰ বেৰেদি, কি চা জুমি জুমি, ন জোন ওলাইছে বুলি ।
একে বগীতৰা, সোণৰ গিলিপ-মৰা, দাপোণ চাই মেলাইছে চুলি ॥

নকলেও হ'ব যে এই সৌন্দৰ্য্য—

‘জলৰ নহয় ইটি, নহয় থলৰ ।
দিব্য জ্যোতি স্মকবিৰ সপোন পুৰৰ ॥’

“বাঁহী” ত্ৰয়োদশ বছৰ, নৱম সংখ্যা, মাঘ, ১৮৪৫ শক ।

---

# পটন্তৰ-মালা—যোজনা-ফকৰা

সকলো ভাষাত আৰু জনসাহিত্যত তাৰ জাতীয় পটন্তৰ-মালাৰ প্ৰভাৱ বিশেষ লক্ষ্য কৰিব লগীয়া। অসমীয়া পটন্তৰ-মালা বুলি আমি যাইকৈ এই ভাষাৰ যোজনা-ফকৰা আদি সকলো প্ৰচলিত বচনকে সামৰিছোঁ। অসমীয়া ডাকৰ বচনৰ লগত বাহিৰে ইয়াৰ অনেক মিল থাকিলেও, দুইবো অন্তৰ্প্ৰকৃতি একেবাৰে স্মকীয়া। আমাৰ চেপি উলিওৱা পটন্তৰৰ পুথিকেখনত এই দুবিধ সাহিত্য একেলগে জপতিয়াই লৈ এক বেমেজালিৰ সৃষ্টি কৰা হৈছে। এতিয়া আমি ধৰা মতে পটন্তৰ-মালাই কেইবাটাও গঢ়ৰো হ'ব, আৰু বাক্সংযম বা সংক্ষিপ্ততাই এই বংশৰ সকলোবোৰৰে উমৈহতীয়া তেজ-মঙহ স্বৰূপ। এইমতে গদ্যৰ এডোখৰ বা আধাডুখৰীয়া বাক্য বা উপমা, নিছেই চুটি বা অলপ দীঘলীয়া

স্বাভাৱিক ছন্দৰ দুশাৰী বা ততোধিক, আৰু সৰল বৃদ্ধৰ বচন আৰু জন-সাহিত্যৰ গঢ়ৰ আন জ্ঞান-গৰ্ভ সৰবৰহী ঘৰুৱা কথা আদিয়ে অসমীয়া পটন্তৰ-মালা গাঁঠি আহিছে আৰু ঘাইকৈ ঘৰোৱাহী জীৱনত জ্ঞান-বয়োবৃদ্ধ অমৰ সাৰথিৰ স্বাভাৱিক পৰিচালনাৰে জাতীয় জীৱনৰ মানসিকতাত ই যুগে যুগে নিজ বিবেকৰ দৰে হৈ পৰিছে।

পটন্তৰ-মালাৰ এই স্বাভাৱিক ছন্দৰ লক্ষণ আকৌ এক আমোদজনক বিষয়। বৰ্ত্তমান আমি ৰচনাৰ দুশাৰীত বা কেইবা শাৰী কথাত একেটা শব্দৰ ধ্বনি নিয়মমতে দোহৰাকে ছন্দ বুলি বুজোঁ; এই শাৰীবোৰ সাধাৰণতে নিৰ্দিষ্টৰূপে দীঘল বা চুটি হব লাগিব। কিন্তু এই নিয়মৰ বান্ধ-ছাটত সোমাই ছন্দ বা শব্দৰ ধ্বনি মিলোৱা কথা কিমান পুৰণি আৰু তাৰ উৎপত্তি কিহত, এই এটা কথাই লগে লগে আমাৰ মনত খুন্দিয়ায়। ছন্দৰ উৎপত্তি সম্বন্ধে কোনো স্থিৰ মীমাংসা সতকাই হোৱা অসম্ভৱ; কিন্তু হওক বা নহওক, তাৰ এটি আভাস পাবৰ চেষ্টা কৰা নিশ্চয় আৱশ্যক। সংস্কৃত কবিসকলৰ মতে শোকতে শ্লোকৰ উৎপত্তি; এটা ব্যাধে এহাল কৰ্চন চৰাইৰ এটি মৰাত লগৰটিক বিৰহ-শোকত অধীৰ দেখি খণ্ডত আপোন-পাহৰা হৈ বাল্মীকিৰ মুখত নিজেই বুজিব নোৱৰা যি শ্লোক ওলাই পৰিল কবিতাৰ বোলে এয়ে প্ৰথম জন্মোৎসৱ। কবিত্বপূৰ্ণ কাহিনীৰূপে ই নিশ্চয় নিৰুপম; কিন্তু বোধ হয় সাধাৰণ বিচাৰ-বুদ্ধিৰে ইয়াৰ তত্ত্ব বিচাৰিবলৈ অলপ ইফাল-সিফাল নকৰিলে নহব। বাহিৰৰ ছন্দ কাব্যৰ প্ৰাণ, ভিতৰৰ ছন্দ হে তাৰ আত্মা; সেইহে সংস্কৃত সাহিত্যৰ "কাদম্বৰী" পুথিত এই আভ্যন্তৰিক ছন্দ থকাৰ কাৰণে গদ্য হলেও তাক উৎকৃষ্ট কাব্যৰ লেখতো ধৰা দেখা পোৱা হয়।

এই আভ্যন্তৰিক ছন্দ সৃষ্টিৰ স্তৰে স্তৰে বিজুলী সোতৰ দৰে সদায় কঁপিব লাগিছে। আভ্যন্তৰিক ছন্দৰ এই ধ্বনি আদিম মানুহৰ পবিত্ৰ হৃদয়ত প্ৰতিধ্বনি স্বৰূপে ঘনাই বাজি উঠা অতি স্বাভাৱিক। এই গভীৰ ছন্দ প্ৰকৃতিত ৰিচিত্ৰৰূপে ব্যক্ত; তটিনীৰ কুল্ কুল্, মলয়াৰ ৰিব্ ৰিব্ আদি সকলোতে সেই মহান বিশ্ব-কবিৰ ছন্দৰ স্পন্দন, সঙ্গীতৰ মূৰ্চ্ছনা। সৃষ্টিৰ আভ্যন্তৰিক ছন্দৰ এই বাহিৰৰ গাম্ভীৰ্য্যৰ সংস্পৰ্শৰ সমাবেশেই পৃথিৱীৰ কবিতা, আৰু বাহিৰৰ ঐক্যই তাৰ নিঃকিন ছন্দ। সি যি হওক, বৰ্ত্তমান আলোচ্য বিষয়—ছন্দৰ উৎপত্তি আৰু তাৰ ক্ৰমবিকাশ; প্ৰকৃতিৰ এই বহিৰ্প্ৰকাশৰ মানুহ হৃদয়ত হোৱা ক্ষুদ্ৰ

প্ৰতিধ্বনিতেই আমাৰ মনেৰে ছন্দৰ জন্মস্থান, আৰু শব্দৰ ধ্বনি দোহৰাই ইয়াৰ বাহ্যিক পৰিচয়।

তথাপি বৰ্ত্তমান ছন্দৰ নিয়ম-কাৰণ সম্পূৰ্ণ আধুনিক, আৰু এই স্বাভাৱিক ছন্দেৰে কোৱা পটন্তৰবোৰৰ গঢ়েই ইয়াৰ পূৰ্ব অৱস্থা হয় নে নহয় চোৱা হওক। ইউৰপীয় পুৰণি সাহিত্যলৈ যদি এবাৰ চকু ফুৰোৱা হয়, তাত আদিতে এই ছন্দৰ চিন-চাব বিচাৰি পাবলৈ নাই, আৰু পোনতে যেতিয়া পুৰণি গ্ৰীক আৰু লেটিন ভাষাৰ কবিসকলৰ লিখাত তাৰ পূৰ্ব আভাস জিলিকি উঠিছিল, তেতিয়া ই সচাকৈয়ে অভাৱনীয় কথা! শব্দৰ ধ্বনি দোহাৰিবৰ কাৰণে পুৰণি কবিসকলৰ কোনো কোনো জনৰ স্বাভাৱিক প্ৰবৃত্তি, আৰু কবি ভাৰ্জিলৰ লিখাত এশাৰী বাক্যৰ শব্দটোৰ শেষ অংশৰ লগত মাজৰ শব্দ এটাৰ শেষ অংশৰ ধ্বনি মিলাৰ নিচিনা শাৰী ভালেমান পোৱা হয়; এইদৰে শব্দ-ধ্বনি মাজৰ পৰা শেহত মিলাত তেওঁলোকৰ কাণত এইবোৰ বৰ্ত্তমানৰ পদ্যৰ দৰে সুশ্ৰাব্য লগাত বাধা হৈছিল বুলি কব নোৱাৰি। এই বিধৰ ছন্দক "লিয়নিন ছন্দ" বুলি জনা হৈছিল; কিয়নো লিয়নিয়াছ নামে কোনোবা খৃষ্টান ভিক্ষু এজনে অ'ল্ড টেষ্টামেণ্টৰ বুৰঞ্জী এখন নিয়মমতে এই ছন্দত লিখিছিল। ইয়াৰ পাছত ক্ৰমে অনুপ্ৰাস আৰু ব্যঞ্জনান্ত শব্দৰ ধ্বনি দোহাৰিলে কাণত সুত লগা হয়, আৰু তাৰ পাছত স্বৰবৰ্ণৰ শব্দৰ ধ্বনি সেইদৰে মিলোৱা হ'ল, আৰু শেষত এই দুই নিয়ম গোটাই শব্দাংশবোৰৰ পৰা একোটা সম্পূৰ্ণ শব্দৰ ধ্বনি দোহাৰিবলৈ চেষ্টা কৰা হয়। তাৰ লগে লগে ছন্দৰ এই নিয়ম-কাৰণ অলঙ্কাৰ শাস্ত্ৰত ঠাই পায়, আৰু বাক্যৰ শাৰীৰ শেষফালে এই শব্দৰ ধ্বনিৰ মিল ৰখাৰ লগে লগে বৰ্ত্তমান ছন্দৰ নিয়ম সম্পূৰ্ণ হয়।

এই অৱস্থাটোকে অসমীয়া পটন্তৰ-মালাৰ আদিৰ পৰা অন্তলৈ দেখা হয়। অনুপ্ৰাস-বিলাসিতা আৰু ব্যঞ্জনান্ত ধ্বনিৰ ঐক্য ৰখাৰ আদি চিন এতিয়াও প্ৰায়বোৰ লিখিত ভাষাতে মচ যোৱা নাই। ইংৰাজী এংল'-ছেক্সন কবিতাৰ লগত বৰ্ত্তমানৰ ঘাইকৈ টেনিছন্ আদিৰ কবিতা সামঞ্জস্য ৰাখি পঢ়িলেই এই আদি আৰু পৈণত অৱস্থাৰ প্ৰভেদৰ এটি ভাল ধাৰণা পাব পাৰি। মাজত ছন্দ মিলা আৰু কেৱল ব্যঞ্জনান্ত ধ্বনিৰ সমাবেশ থকা অসমীয়া পটন্তৰৰ উদাহৰণ অনেক পোৱা হয়:—"কাউৰী টেঙৰ নে মাউৰী টেঙৰ;" "দায় নাই দেৱলীয়া, তিৰি নাই কেৱলীয়া।" "মাক মৰা মাউৰা, বাপেক মৰা কোঁৱৰ;"

"কিনো পৈ হুতাই-তাই, লোন সানিবলৈ তৎ নাপায়।" "ঘৰৰ বুঢ়া, পথাৰৰ মূঢ়া।" "যেতেকতে নাটিছে, তেতেকতে ফাটিছে" ইত্যাদি। ইয়াত স্বাভাৱিক ছন্দত দীঘল-চুটিৰ সাধাৰণতে কোনো নিৰ্দিষ্টতা নাই; স্বভাৱতে যেনেদৰে মিলিছে, সেয়ে ইয়াৰ ছন্দ। কিন্তু ইয়াৰ পৰাই যে অলপ উন্নত কৰি ছন্দৰ নিয়ম ক্ৰমে বান্ধি-ছাটি পদ, ছুলৰী, লেছাৰি আদি বেলেগ বেলেগ ছন্দলৈ ইয়াক নিয়াটো সম্ভৱপৰ হব পাৰে, গোটেই পটন্তৰখিনিৰ ওপৰত এবাৰ চকু ফুৰাই চালেই সেইটো ধৰা পৰে।

এতিয়া জীৱনৰ অভিব্যক্তি স্বৰূপে এই তৰপৰ সাহিত্যৰ বিশেষ মূল্য কি তাকো ভালকৈ মন কৰিব লাগে। 'এশৰ অভিজ্ঞতা, এজনৰ বাণী',—বছেলে কোৱাৰ দৰে এয়ে পটন্তৰৰ মৰ্মকথা। যুগ-যুগান্তৰৰ অগ্নি-পৰীক্ষাইদি সৰকি অধিক চিকমিকাই অহা আৰু একোটা জাতিয়ে বুকুৰ তেজেৰে লিখি পিছৰ যুগলৈ সাঁচি ৰাখি থোৱা ই অমূল্য সম্পদ। ইয়াৰ বলতে সংসাৰ-সমুদ্ৰত একোটা জাতিৰ কোটি কোটি লোকৰ জীৱন-তৰীৰ গুৰি-বঠা স্বভাৱতে চালিত হয়। অকল ইমানেই নহয়, এইবোৰ জীৱনৰ নিৰপেক্ষ তীব্ৰ সমালোচনা; এই শ্ৰেণীৰ পটন্তৰ প্ৰতিটোৱেই আমাৰ অনভিজ্ঞ জীৱনৰ খুত, ভেম আৰু অসম্পূৰ্ণতাবোৰলৈ যেন এনে অন্তৰ্ভেদী চোকা দৃষ্টিৰে চাই আছে, নাইবা তালৈ এনেদৰে আঙুলি টোৱাঁইছে যে আমি ধৰা পৰাৰ ভয়ত ততালিকে সেইবোৰ শুধৰাই লবলৈ বাধ্য হওঁহঁক। সাধাৰণতে এই শ্ৰেণীৰ পটন্তৰবোৰ যেনে জ্ঞানগৰ্ভ, তেনে সুনিশ্চিত; নহয় বুলিবৰ কাৰো বাপৰ-শকতি নাই,—যেন সংসাৰ-জ্ঞানী অভিজ্ঞতাৰ নিজ মুখৰ পৰা আপোনা-আপুনি সৰি পৰা একোটি আকাশী-বাণীহে। "ডুখীয়াই কথা কয় কথাত নিদিয়ে কাণ, চহকীয়ে কথা কয় গাখীৰে-গুৰে সান;" "বঙহে মঙহ খায়, বঙহ নহলে মঙহ পেলনি যায়;" "খাব জানিলে চাউলেই চিৰা, বহিব জানিলে মাটিয়েই পীৰা;" "লাগনি নহলে জুই নজ্বলে, টুটকীয়া নহলে গাঁও নবহে;" "বণিয়াৰ দিম দিম, কমাৰৰ কালি: কৈৱৰ্ত্তৰ বৌ মাছ হাততেই পালি;" "যাৰ নাই গৰু বৃন্দাবনত চাৰে, যাৰ নাই তিৰি একেচৰে মাৰে;" "বুঢ়াই-লৰাই ঘৰখন, ডোখোৰাই-ডুখৰিয়ে জুহালখন;" ইত্যাদি ইত্যাদি আৰু এহেজাৰ এটা কথা অচল অটল সত্য নহয়নে? কেতিয়াবা এই সত্য-সূৰ্য্যৰ ৰূপৰৰ তীক্ষ্ণ অগ্নিবাণ কাৰোবাৰ প্ৰতি বিশেষকৈ টোৱাঁই মাৰি পঠিওৱা হয়, কেতিয়াবা আকৌ হঠাতেই তাত

হাঁহি-ধেমালিৰ ছাঁ পেলাই সেই সন্তাপ গুচোৱা হয়। উদাহৰণ ৰূপে, "বাই, বাইলুঙনী! উঠি পীৰা এখন দিলোঁহেঁতেন, মই হলোঁ শইকীয়ানী;" "বাপুৰ ভাতিত ছুৱা লাগিল, আচাৰ মাৰিলেই শুচি; শূদিৰৰ গাত ছুৱা লাগিল, পৰাচিত হলেহে শুচি;" "আগৰ কমলাবৰীয়াই ধুই খায় খৰি; এতিয়াৰ কমলাবৰীয়াই খাবলৈ নিতিয়ায় ভৰি;" "চহাই বেহা শিকিলে, ৰাতিকে দিন যেন দেখিলে;" "বামুণে শগুনে বিচাৰে মৰা, গণকে বিচাৰে নৰিয়া-পৰা;" "যাৰ জহত শাঁখ-সেন্দুৰ, তাক পাতিছে ভোকোৰা এন্দুৰ;" "নমো নমো পাৰিজাত, কুকুৰে ছুলে বাহী গাত" ইত্যাদি ইত্যাদি এপোণ দইঁৰা পটন্তৰে যেনেকৈ আমাৰ সামাজিক দুৰ্বলতাবোৰ কঠোৰ ন্যায়ৰ তুলাচনিত জুখি পেলাইছে, সেইদৰে আকৌ "আগত এটা পিছত এটা হলে অকলে যাব পাৰি, গাথীৰে-গুৰে হলে শুদায়ে খাব পাৰি;" "ত'তে থাওক এখেতে কান্দো, ভৈয়াইক আনি দিয়া বুকুতে বান্ধো;" "তিনিও মোলোনা থাকিল চাই, খোদাইটো ওলাল ভোৰোকাই;" "মাজ মূৰত নাই চুলি, পৈয়েকে মাতে ৰূপহী বুলি;" "চাপি আহাঁ চুমা খাওঁ, পেট ডাঙৰ চুকি নাপাওঁ;" "মোমাই! মোমাই!" "কিহৰ ভোমাই ভোমাই, হেৰ' কিহৰ ভোমাই, ভোমাই?" "মোমাই! আঠিয়া কলে বোকা চাউলে।" "ওঁ, আহাঁ তেনে সোমাই;" "তোমাৰ বাৰীৰে বাঁহগাঁজ থুন্দি তাৰে কৰিছোঁ খৰিচা; তাকে দি তোমাৰে ধান সলাইছোঁ, কথাটো মন কৰিছা?" ইত্যাদি ইত্যাদি আন দহ বুৰিয়ে আকৌ সেই তিতা মাৰি মনক এটি বিমল আনন্দ দিয়ে।

এইবোৰ সাধাৰণ পটন্তৰৰ বাজেও আন দুবিধৰ কথা উল্লেখ কৰিব লগীয়া—কিছুমান ধৰ্ম আৰু আৰু কিছুমান ইতৰ ভাবৰ ব্যাখ্যা থকা। ইয়াৰ প্ৰথম বিধৰ যোজনাবোৰ যেনেকৈ ধৰ্ম-ভাব আদিৰে পৰা লাগি আহিছে বুলি সঠিক কব নোৱাৰি, সেইদৰে পিছৰ বিধতো যে আদিতে সেই ভাবৰ চোকা গোন্ধ আছিল, তাৰ সহজে সৈ লবলৈ টান। সি যি হক, "বাৰ হাত জলৰ তেৰ হাত ফটা, ভাল মাৰিলি বাপৰ বেটা; বৌ-বৰালি সৰকি গল, পুঠি-খলিহা পাহে পাহে ৰ'ল;" "কথিলেই কথা, মথিলেই ঘিউ; ভাতত দিয়া হাঁহকণীৰ কেনি যায় জীউ" আদি ধৰ্ম-ব্যাখ্যা থকা কেৱল দুই এটি প্ৰথম বিধৰ। পিছৰ বিধৰ সাধাৰণ ভাল মানুহৰ পৰিয়ালত প্ৰচলিত কিছুমান যোজনাত বাজে বাকীখিনি সৰবৰহী বুলি আমাৰ বিশ্বাস নহয়। ইতৰ (ভলগাৰ) কথাবাৰৰ

বিষয়ে আৰু এটি কথা কব লগীয়া। ইয়াৰ কোনো ভাষাতে কোনো নির্দ্ধাৰিত সীমা নাই। অৱশ্যে ই যেতিয়ালৈকে সাধাৰণ ভাল মানুহৰ পৰিয়ালৰ ভিতৰত আৰু সজ সাহিত্যত ব্যৱহৃত হয়, তেতিয়ালৈকে ইয়াক দোষণীয় বুলিব নোৱাৰি। কোৱা আৰু লিখাত ব্যৱহাৰ কৰা কিছুমান লঘু কথাও ইয়াৰ লগত ধৰিব লাগিব। ইংৰাজী আৰু আন আন উন্নত সাহিত্যৰ পুৰণি প্রসিদ্ধ লেখকসকলৰ লিখাত উভয় ধৰণৰ মাত-কথাৰ একেবাৰে অভাৱ দেখা হয় বুলিলে সত্যৰ অপলাপ কৰা হব। সাধাৰণ ইংৰাজী 'লঘু কথা' (স্লেং ৱৰ্ডছ)ৰ অভিধান এখন মেলি ললেও তাত পাচিয়ে পাচিয়ে নহলেও এখৰাহি এনে শব্দ ওলাব যিবোৰ ইংৰাজী কওঁতাসকলৰ মুখত আখৈ ফুটাদি ফুটে। অসমীয়া পটন্তৰবো সেইদেখি ভাল-বেয়া অর্থাৎ 'ইতৰ' (ভল্‌গাৰ) লঘু (স্লেং) বাচোঁতে আমি বর্ত্তমান সম্পূর্ণ আমাৰ ৰুচি অনুসাৰে নাবাচি সেইবোৰ বথার্থতে "ধৰৰ বুঢ়া, পথাৰৰ মুঢ়া" সকলে আৰু আনেও অলপ দিনৰ আগতে আৰু এতিয়ালৈকে যেনেকৈ ব্যৱহাৰ কৰিছিল আৰু কৰিছে, তাৰ লগত মিল ৰাখি আৰু তেওঁলোকে কোৱা মতেহে ধৰা নির্ভুল হব। য'ত কেৱল এটা বর্ত্তমান প্রায় অশ্লীল বুলি ভবা শব্দৰ কাৰণে এটা সুন্দৰ অর্থৰ যোজনা এৰা পৰিব লগীয়া হয়, আমি তাৰ সংৰক্ষণৰ উপায় বিচৰা উচিত। এনে ঠাইত কেৱল বাঞ্ছা কৰিব পাৰি যেন তাৰ আভৰণে বর্ত্তমানে আমাৰ সভ্যতাৰ কাৰণে কেৱল আঁঠুৰ মূৰ দুটা ঢাকিলেহেতেন! কিন্তু এনে আন কিছুমান যোজনা আছে হয়বা তাক কোনোমতেই ৰক্ষা কৰিবৰ উপায় নাই। সি যি চিত্র আমাৰ মনৰ চকুৰ আগত দাঙি ধৰে সেই চিত্র যদি সুন্দৰ নহয়, তেন্তে তেনে পটন্তৰ অকল সাহিত্যৰ পৰাই কিয়, আমাৰ জাতিৰ মনৰ পৰাই মচ নিয়াবলৈ আমাৰ যত্ন হোৱা উচিত, ভৱিষ্যত বংশধৰসকলৰ মনত ৰাতে তাৰ শিপা বগাবলৈ কোনো চেলু নাপায়। কিন্তু কাল্পনিক চিত্র নথকা বুলিয়ে এটা চহা মলিন শব্দ আমি নভবা-নিচিন্তাকৈ দলিয়াই পেলাব নালাগে, কিয়নো হয়বা তাৰ বিশেষ অর্থ বা মর্মই তাৰ কেটুৰী-কলীয়া সাজ-পাৰৰ ক্ষতিপূৰণ কৰি দিব পাৰে। কিন্তু সাধাৰণতে প্রচলিত নোহোৱা পটন্তৰ এটাৰ বিষয়ে এই কথা নাখাটিব। শুদা ধর্ম সম্বন্ধীয় সাঁথৰ স্বৰূপেই সাধাৰণতে চলিত হোৱা কথাবোৰ পটন্তৰৰ শাৰীত ঠাই দিয়াৰ বিশেষ আৱশ্যকতা নাই।

দুখৰ কথা, এতিয়ালৈকে অসমীয়াত বৈজ্ঞানিকভাৱে জুকিওৱা আৰু নিখুত

সংগ্ৰহৰ কাষ চাপিছে বুলি কব পৰা কিতাপ এখনিও আমাৰ চকুত পৰা নাই। এই শ্ৰেণীৰ মৌখিক সাহিত্যৰ প্ৰভাৱ ভাবাত কিমান দকৈ সোমাই আছে, অলপ ভালকৈ ভাবি চালেই সহজে অনুমান কৰিব পাৰি। মুঠতে, অসমীয়া বিৰাট জন-সাহিত্য বৰ্ত্তমানৰ লিখিত বা 'শিক্ষিত' সাহিত্যৰ তীৰ্থস্থান হব লাগিব ; পটন্তৰ-মালা তাৰে এটি অতি আৱশ্যকীয় অঙ্গ। এই তীৰ্থস্থান পাহৰণিৰ শত্ৰু-সৈন্যৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ আৰু তাত হৃদয়ৰ নতুন সংযোগ দি এটি নতুন বিৰাট জাতীয় সাহিত্য সৃষ্টি কৰিবলৈ এতিয়াও তৎপৰ নহলে অসমীয়া সাহিত্যৰ ভবিষ্যত আন্ধাৰ। বিশেষকৈ অসমীয়া গদ্য-সাহিত্যলৈ এতিয়াও সাধাৰণতে এটি নিৰ্ভাঁজ নিমজ গতি আহিবলৈ বাকী ; পদ্য-সাহিত্য কেতিয়াবা কেনেবাকৈ বনফুলৰ দৰে ফুলি উঠিলেও উঠিব পাৰে, কিন্তু গদ্য সাহিত্য সেইদৰে হোৱা বস্তু নহয় ; তাৰ কাৰণে জাতীয় সাহিত্যৰ ভালেখিনি অধ্যয়ন, শিক্ষা আৰু সাধনাৰ আৱশ্যক।

"বাঁহী", পঞ্চদশ বছৰ, নৱম সংখ্যা, পুহ, ১৮৪৭ শক

---

# ফুল-পুৰাণ—ফুলকোঁৱৰৰ গীত

কেচুৱাই কথা কবলৈ আৰম্ভ কৰা স্বৰূপে পোনতে কল্কলোৱাৰ দৰে পৃথিবীৰ প্ৰত্যেক জাতিয়েই কাপ-কাঠি হাতত লোৱাৰ বহুত আগতে আত্ম-প্ৰকাশৰ প্ৰেৰণাত পোনতে সহজ গীত আৰু প্ৰকৃতি-পুৰাণ, পশু-পুৰাণ আদিৰ সাধু ৰচনা কৰি গায়, কয় ; সেয়ে জন-কাব্য, জন-সাহিত্য। জাতিৰ বিদ্যাৰম্ভই জন-কাব্যৰ দশা গণে ; পুথি-ফলি হাতত লোৱাৰ লগে লগে শিশুৰ সোণৰ সপোন পমি যোৱাৰ দৰে জাতিও 'শিক্ষিত' হোৱা মাত্ৰকে সেই গীত-সাধুবোৰ হেৰুৱাই আহিবলৈ ধৰে। সেই হৰণত বাধা দি তাক লিখিত ৰূপলৈ আনিবলৈ গলেই সি পুৱাৰ নীয়ৰ-মুকুতাৰ দৰে হাততে হেৰায় ; 'সাহিত্য'লৈ ৰূপান্তৰিত কৰিলেই সি গোট মাৰে, গতানুগতিক হয় আৰু তাৰ "জন" স্বৰূপত পানী-চলু দিব লগা হয়।

জুলছ্ ব্লখে সেইদেখি বাৰেপতি আপত্তি তোলে আৰু দোহাৰে বোলে জন-সাহিত্যৰ দিনাঙ্ক-মাসাঙ্ক নালাগে বৰ্ষাঙ্ক-যুগাঙ্কও থাকিব নোৱাৰে; কিয়নো ইউৰপতো আজিও ন ন জন-কুসংস্কাৰ সোমাব লাগিছে, আৰু ৰচনাৰ বৰ্ষাঙ্ক বা যুগাঙ্ক নিৰ্ণয় কৰোঁতে বোলে ভাষাৰ বিচাৰে আগঠাই পাব লাগে। প্ৰকৃততে তেনে বিচাৰত ডাকৰ বচনকে ধৰি অসমীয়া কোনো জন-সাহিত্যকে উনৈশ শতিকাৰ আগলৈ ঠেলিব নোৱাৰি নিশ্চয়; কিন্তু তেনে বিচাৰ এঁচইীয়া নুবুলি নোৱাৰি। সাহিত্যৰ বিচাৰত ভাষা শৰীৰ, ভাব আত্মা; আমি আন এঠাইত কবৰ দৰে, এশ বছৰৰ আগৰ কেচুৱা এটি আজি চাব খুজিলে এশ বছৰীয়া বুঢ়া এজন দেখুৱাব পাৰি, কেচুৱা দেখুবাব নোৱাৰি, সচা; পিছে নাই-মোমাইতকৈ কণা-মোমাই ভাল বুলি যি দেহক আজি যৌৱন আৰু জৰাই ক্ৰমাৎ গচকি-খচকি আহিছে, এটি মোখনিৰে, সেই দেহতেই এশ বছৰৰ আগত সোণৰ শৈশৱে ক্ৰীড়া কৰিছিল বোলা একেবাৰে অযুগুত নহয়।

আমাৰ যুগুতি, ভাবেই যেতিয়া সাহিত্যৰ প্ৰাণ আৰু সেই প্ৰাণৰ সন্ধান য'ত যেতিয়ালৈকে পাব পাৰি তালৈ আঙুলিওৱা একোপধ্যে অবিচাৰ হব নোৱাৰে। জন-সাহিত্যৰ কোনো যুগ নাই বোলা কথাষাৰো বিনা সীমায় মানি লোৱা টান; ইউৰপ তথা ভাৰত তথা অসমতো আজিও ন ন জন-সাহিত্য ৰচিত হব পাৰে, কিন্তু জন-সাহিত্যয়ো যুগৰ ছাব মোহৰৰ বাবে পিঠি পাতি নিদি নোৱাৰে নিশ্চয়। আজিৰ অসমত গান্ধী-নেহৰুৰ বা ফুকন-বৰদলৈৰ স্বৰাজ-গীত ৰচিত হব পাৰে, আৰু বোধকৰোঁ হৈছেও; কিন্তু আজিৰ অসমত "জোনবাই এ, তৰা এটি দিয়াঁ," বা "অ' ফুল, অ' ফুল, ফুকুল কিয়" গীত বা "ওকণী সখী মাৰি গল বগে বৰত কৰে" সাধু ৰচিত হোৱা অসম্ভৱ বুলিয়ে কব পাৰি।

"যুগৰ ছাব-মোহৰ"ৰ ওপৰত ভিৰ দি, দেশখনতকৈ দেশৰ নামটো অতি অৰ্বাচীন হব পাৰে, তাৰ তুলনা দি সেইদেখি আমি বাচি-বিচাৰি নিশ্চয় ডাকৰ কেইটিমান গীত-মাত আদি-মধ্যযুগত ঠাই দিছোঁ; মণিকোঁৱৰ-ফুলকোঁৱৰৰ গীত তাৰ অন্যতম। "শঙ্কলদেৱ ৰজাৰে পুতেক মণিকোঁৱৰ" বুলি প্ৰথমটি কাহিনীৰ আৰম্ভ; মণিকোঁৱৰৰ অকাল মৃত্যুৰ পাছত তেওঁৰ পুতেক, শঙ্কলাদিৰৰ নাতিয়েক, ফুলকোঁৱৰৰ জন্ম। অসম বুৰঞ্জীত বা ভাৰত বুৰঞ্জীত

নহলেও মুছলমান বুৰঞ্জীত শঙ্কলাদিব অতি প্ৰসিদ্ধ ; খৃষ্টপূৰ্ব সপ্তম শতিকাত পাৰস্যৰ প্ৰখ্যাত বীৰ ৰুস্তমৰ হাতত শঙ্কলাদিবৰ মৃত্যু ঘটে বুলি প্ৰথিত। মহম্মদ কাছিম ফেৰিষ্টাৰ পাৰস্য বুৰঞ্জীৰ মতে খৃষ্টীয় ত্ৰয়োদশ শতিকাত মুছলমান আহি টুগ্ৰালে উঠাই নিনিয়ালেকৈ শঙ্কলাদিবে পতা লক্ষ্মণাৱতী (গৌড়) নগৰ দুই হাজাৰ বছৰ বঙ্গৰ ৰাজধানী আছিল ; পাছে ফিৰদৌছিৰ অমৰ কাৰ্য্য কাব্য শ্বাহ-নামাত খৃষ্টীয় চতুৰ্থ শতিকাৰ ছাছানীয় কৈদৰ পাৰস্যীয় ৰজা বাহৰাম গৌৰৰ আক্ৰমণ-প্ৰসঙ্গতহে শঙ্কলাদিবৰ উল্লেখ আছে।—

"ভাস্কৰ-জেউতি ভাস্কৰ বৰ্মা প্ৰাগ্‌জ্যোতিষৰ ৰজা ;
ভাৰতৰ ৰজাৰ আগশাৰী ললে, নহয় ই কথা সজা।
উত্তৰ ভাৰতৰ কেদাৰ ব্ৰাহ্মণ মহাবলৱন্ত ৰজা,
কামৰূপ-পতি শঙ্কলাদিবে ঘটুৱালে কেনে বুজা।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদঙ্গ-খোল !
অসম আকউ উন্নতি-পথত "জয় আই অসম" বোল !!

চাৰি-লাখ পদাতি, লাখ অশ্বাৰোহী, চাৰি হাজাৰেক হাতী ;
শঙ্কলাদিবৰ বীৰ্য্য-বিক্ৰমৰ ভাৰত-বিয়পা খ্যাতি।
লক্ষ্মণাৱতী গৌড় নগৰ আমাৰ শঙ্কলে কৰা ;
ৰাজধানী হই আছিল বঙ্গৰ দুহাজাৰ বছৰ জোৰা।
বাজক ডবা বাজক শঙ্খ বাজক মৃদঙ্গ-খোল !
অসম আকউ উন্নতি-পথত "জয় আই অসম" বোল !!

পাৰস্য-বিজেতা আফ্ৰছিয়াবৰ আদ-লাখ মোগল সেনা
ঘটুৱাই শঙ্কলে ঘোৰাঘাট পৰ্বতত কীৰিতি ৰাখিলে জানা।
মোছলেম বুৰঞ্জীত ফেৰিষ্টাই লিখিছে, নহয় ই সাধু-কথা ;
প্ৰাণৰ প্ৰাণত অসমীয়া ভাই, ই কথা তোমাৰ গোঁথা।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদঙ্গ-খোল !
অসম আকউ উন্নতি-পথত "জয় আই অসম" বোল !!"

খৃষ্টপূৰ্ব সপ্তম শতিকাই হওক বা খৃষ্টীয় চতুৰ্থ শতিকাই হওক, শঙ্কলাদিব তথা মণিকোঁৱৰ-ফুলকোঁৱৰৰ কাহিনী সময়-সম্মানিত যে সন্দেহ নাই। কিন্তু

আমি এই আৱশ্যকীয় বাহ্যিক সাক্ষ্যতকৈও গীত-দুটিৰ ততোধিক আৱশ্যকীয় আভ্যন্তৰিক প্ৰমাণৰ পৰাহে গীত-দুটিৰ সেই আদি-মধ্যযুগত জন্ম বুলি ঠাৱৰাব খুজিছোঁ ; যদিও অৱশ্যে গীত-দুটিৰ অকল ভাষাই নহয়, পৰিবেশো আহোমৰ দিনৰ ভিতৰেদি পৰিপুষ্ট হৈ অহা কথা কোনোমতেই আশয় মাতিবৰ উপায় নাই। অৱশ্যে এই পিছৰ কাৰণৰ পৰা গীত-দুটিক পিছৰ যুগলৈ আজুৰিবলৈ চোৱা অন্যায় হব, যি হেতুকে পিছৰ যুগে যিমান খুৱাই-পিন্ধাই নোদোকা আৰু নিপুতল কৰক, সেই গীতবোৰে সিহঁতৰ জন্ম-দিয়া যুগৰ সোঁৱৰণ আজিও সদায় বুকুত বান্ধি আছে ; আলোচনাৰ প্ৰসঙ্গত আমি এই কথা মুকলি কৰি যাবলৈ যত্ন কৰিম।—

শঙ্কলদেৱ ৰজাৰে পুতেক মণিকোঁৱৰ, কোলাতে শুতি-খুণ নাই।
এবেলা দোলাতে, এবেলা ঘোৰাতে, এবেলা খেৰি খেলায়॥
খেৰি খেলায়ে ৰঙকে নাপালে, নৈত গা ধুবলৈ যায়।
ছুঅঁৰা লিগিৰী দি যায় পানী তুলি, মুজুৰায় কোঁৱৰৰ গাই॥
হাতৰ সেওমণি, ভৰিৰ সেওমণি, গলৰ গলপতা থলে।
সদৌ সেওমণি সোলকাই কোঁৱৰে তামুলীৰ হাততে দিলে॥
সদৌ সেওমণি সোলকাই কোঁৱৰে নৈত গা ধুবলৈ গলে।
এপতাৰ পৰা নামে এডিঙিলৈ তেও মুত নালাগিলে॥
এজাবোৰ মাৰিলে ঠাহুৰা কোঁৱৰে চান্দ-সূৰুযলৈ চাই।
ইজাবোৰ মাৰিলে ঠাহুৰা কোঁৱৰে আপোন নগৰলৈ চাই॥
আৰু এজাবোৰ মাৰিব খোজোঁতে নিলে জলকোঁৱৰে হৰি।
গ'ল সেই কথা কাঁচন বাইক কবলৈ পোৱালি তামুলী লৰি॥
আউলী কাঁচনে বাউলি কান্দিলে আজুৰি ছিঙিলে কেশ।
ওলাই দৰিশনে দিয়াঁ, মোৰ কোঁৱৰ ঐ! ফুৰোঁ একেলগে দেশ॥
কি চৰাই মাৰিবৰ বগ, মোৰ কোঁৱৰ ঐ! কি চৰাই মাৰিবৰ বগ।
এপতাৰ পৰা নামে এডিঙিলৈ, নাপালে কোঁৱৰক লগ॥
নুইতে এৰিলে দীঘলী এস্তুতি, দিহিঙে এৰিলে কুল।
আয়ে-বোপায়ে ধৰম-বিয়া দিলে, মুগুচিল হালধিৰ বোল॥"

মণিকোঁৱৰৰ গীত, কাঁচনকুঁৱৰীৰ গীত আৰু ফুলকোঁৱৰৰ গীত নামত সুকীয়া

হলেও স্বৰূপতে গীত একেটি বুলিব পাৰি ; আৰু তেতিয়া হলে ফুল-কোঁৱৰৰ গীতকে মূল বুলি আন দুটি গীত তাৰ পাতনি বুলিব লাগিব ।—

"শঙ্কলদেৱ ৰজাৰ পুতেক মণিকোঁৱৰ, হেৰাল পানীত পৰি
শঙ্কলদেৱ ৰজাৰ কাঁচন বোৱাৰী থাকিল গলত জৰী ॥
উজনি-নামনিত মণিকোঁৱৰক বিচাৰি নাপালে পাৰ ।
শঙ্কলদেৱ ৰজাৰ কাঁচন বোৱাৰীৰ ব'ল ছমহীয়া ভাৰ ॥
খৰি লুৰিবৰ মিট্টকৈ কটাৰি, মাছ কাটিবৰ দা ।
আজি কিছু কৰি, কালি কিছু কৰি কাঁচনৰ জিলিকিল গা ॥
আজি থেন্ মেন্, কালি থেন্ মেন্, কুঁৱৰীৰ গা লৰিল ।
মঙলবাৰৰ দিনা মাজ নিশাখন ফুলকোঁৱৰ উপজিল ॥

ককাক শঙ্কলাদিৰে নাতিয়েক ফুলকোঁৱৰক বাঢ়ৈৰ হতুৱা কাঠৰ এটা আচৰিত পখী-ঘোৰা সজাই দিলে, আৰু ফুলকোঁৱৰৰ সাহ জুখিবৰ বাবে সেই পখী-ঘোৰাত কোন উঠিব পাৰে বুলি সুধিলে ; আৰু ফুলকোঁৱৰ আগ বাঢ়ি গৈ ককাকৰ চকুত চমক লগালে। বুকেফেলছ নামৰ এটা ভয়ঙ্কৰ ঘোৰাত উঠি শিশু আলেকজেণ্ডাৰে তেওঁৰ পিতাক ফিলিপক চমক লগাই "মেছিডন্ তোমাৰ বাবে নিছেই ঠেক হব" বোলোৱাৰ লগত এই কথা মিলে—

সৰগৰ ওপৰত সৰগ তুলি তুলি সাজিলে সাত তাল সৰগ ।
সাতোটা ঘোৰাৰে সূৰ্য্যই ৰথ ডকাই পোহৰাই ৰাখিলে নৰক ॥
কদম কুঁৱৰী ফুলৰে বাৰৰী ফুলে জকমক কৰে ।
বাঢ়ৈয়ে সাজিলে কাঠৰ পখী-ঘোৰা আকাশে উৰাৰত কৰে ॥
শালৰ বৰ হাতী, সূৰুযৰ নাতি, তেজে চিকমিক কৰে ।
নৃপতিয়ে পাছে ঘনাই মাত দিলে, 'ইয়াত কোন উঠিব পাৰে ?'
কদম কুঁৱৰী বনৰে বাৰৰী ফুলি জকমক হল ।
সেই কথা শুনি ফুলকোঁৱৰ পখী- ঘোৰাত উঠিবলৈ গল ॥

ফুলকোঁৱৰৰ হেৰোৱা পিতাক মণিকোঁৱৰক বিচাৰি যোৱাৰ প্ৰবল ধাউতি

ছোৱাবৰ তেওঁৰ নেদেখা পিতাক পাৰস্য বীৰ ৰুস্তমক বিচাৰি দিগ্বিজয় কৰাৰ দৰে বিচক্ষণ ঃ

কৰে টাঙ্‌-টিঙ্‌, কৰে টাঙ্‌-টিঙ, গঢ়ে বিনন্দীয়া ঢেঁকি।
কবৰহে শুনিছোঁ বোপাই মণিকোঁৱৰ, চকুৰে নাপালোঁ দেখি॥
খেদে গৰখীয়াই টাঙনি আতোলা, খেদে গৰখীয়াই হই।
বোপাইকে নেদেখি গাকে নুজুৰায়, মনতো জ্বলিছে জুই॥
কি মণি কলীয়া হাঁও, নো মোৰ আই, কি মণি কলীয়া হাঁও।
ঘৰতে থাকি মোৰ গাকে নুজুৰায়, ভাটিলৈ ভটিয়াই যাওঁ॥
সেইনো কথা শুনি কাঁচন কুঁৱৰীয়ে তললৈ কৰিলে মূৰ।
বাপেৰ শতুৰুৱে ইয়াতে এৰিলে, তয়ো এৰি যাব মোক॥

তাৰ পাছত ফুলকোঁৱৰৰ আচৰিত আকাশী যাত্ৰা। সংগৃহীত গীতবোৰৰ পৰা মূল গীতৰ এটি পৰিপাটি ৰূপ বিচাৰি লোৱাও কঠিন ; কিন্তু কেনেবাকৈ যদি ইয়াৰ মূলপাঠ কৰবাত থকা সম্ভৱ হলহেতেন, এংলো-ছেক্‌ছন সাহিত্যৰ বি-উল্‌ফ্‌ কাব্যৰ দৰে ই ভাৰতীয় সাহিত্যৰ এটি অপৰূপ বস্তু হলহেতেন।—

নেজৰ ছাটি মাৰি উঠিবি পখীৰাজ, মুখেৰে মাতিবি চিঁউ।
জানিবি জানিবি কাঠৰ পখী ঘোৰা, তোৰ-মোৰ একেটি জীউ॥
কাঠৰ পখী-ঘোৰাত উঠি ফুলকোঁৱৰে মাৰি যায় চাবুকৰ ছাট।
আকাশে-পাতালে উবাৱত কৰিলে, ধৰিলে আকাশৰ বাট॥
দেও দি এৰালে দেও দৰিৰণা, লুটি দি এৰালে শল।
নগৰ সাত পাক উঠি পখী-ঘোৰা ছমাহৰ বাটলৈ গল॥
কাঠৰ পখী-ঘোৰা পাই ফুলকোঁৱৰে পিতাকৰ দেশকে এৰে।
মনিছে নমণে, দেৱেও নমণে, বিজুলী সঞ্চাৰে চলে॥
কাঠৰ পখী-ঘোৰাৰ জেউতি চৰিলে উৰি-যাওঁ, উৰি যাওঁ কৰে।
ছমাহৰ বাটকে গই একেদিনে মালিনীৰ বাৰীতে পৰে॥

ইউৰপীয় পুৰাণৰ বসন্ত-দেৱতাৰ আগমন বা ভাৰতীয় কবিৰ অকাল বসন্ত সৃজনৰ দৰে এইখিনিৰ পৰাই অসমীয়া কবিৰ আদিম অভিনৱ জন-কল্পনাই এনে অপৰূপ ৰূপ ধাৰণ কৰিছে যে তাৰ তুলনা দিবলৈ নাই।—

মালিনীৰ বাৰীত পৰি ফুলকোঁৱৰে ভৰিৰে মাৰিলে টিপা।

সেউতী মালতী টগৰ গুটিমালী সৰেও মেলিলে শিপা ॥
কাঠৰ পখী-ঘোৰা এৰি ফুলকোঁৱৰে মুখেৰে বজালে শঁখা ।
সেউতী-মালতী টগৰ গুটিমালী সৰেও মেলিলে পোখা ॥
দেও দি এৰালে দেও দৰিকণা, লুটি দি এৰালে শাল ।
সেউতী মালতী টগৰ গুটিমালী সৰেও মেলিলে ডাল ॥
মালিনীৰ বাৰীত পৰি ফুলকোঁৱৰে চৌপাশে পোনালে হাত ।
সেউতী মালতী টগৰ গুটিমালী সৰেও মেলিলে পাত ॥
কাঠৰ পখীঘোৰা এৰি ফুলকোঁৱৰে চৌপাশে মাৰিলে দলি ।
সেউতী মালতী টগৰ গুটিমালী সৰেও পেলালে কলি ॥
মালিনীৰ বাৰীতে পৰি ফুলকোঁৱৰে মিচিকাই পেলালে হাঁহি ।
সেউতী মালতী টগৰ গুটিমালী সৰেও মেলিলে পাহি ॥
কাঠৰ পখীঘোৰা এৰি ফুলকোঁৱৰে চৌপাশে মাৰিলে শূল ।
সেউতী মালতী টগৰ গুটিমালী সৰেও মেলিলে ফুল ॥
ফুলনিৰ বাৰীতে আছে ফুলকোঁৱৰে ইপাহি সিপাহি লেখি ।
বাটৰ বাটৰুৱাই কৰে হৰি হৰি ফুলৰ জকমকে দেখি ॥

ফুলনিৰ এনে অভাৱনীয় পৰিবৰ্ত্তনৰ বাৰ্ত্তা মালিনীয়ে পৰিহাস বুলি নাভাবি নোৱাৰিলে। তদুপৰি ফুলকোঁৱৰক দেখিও শ্বেক্সপীয়েৰৰ 'ধুমুহা' নাটকত মিৰাণ্ডাই ফাৰ্দিনান্দক দেখি মনিছ্‌ নে দেৱতা থিৰ কৰিব নোৱৰা অৱস্থাত পৰিল।—

ই বোলে মালিনী, সি বোলে মালিনী, 'তোৰ ভাল দশা হল ।
বাৰ বছৰীয়া শুকান ফুলনি ফুলি তমস্কাৰ হল ॥'
ফুলৰে ইচনি, ফুলৰে বিচনি, ফুলৰ সৰু সৰু চং ।
ফুলৰ কথা শুনি মালিনী বাইৰে টিকিচাই উঠিলে খং ॥
'মোৰ মূৰ খোৱা, বুকুত জুই দিয়া, কিহলৈ চিন্তিছ হৰি ।
ফুল মৰিবৰ হল বাৰ বছৰ, সৰে লুৰি খালে খৰি ॥
মাছৰ কুমলীয়া শল, নো বোপাই, মাছৰ কুমলীয়া শল ।
বাৰ বছৰীয়া মালিনীৰ ফুলনি মৰি জহি-খহি গল ॥'
'কলীয়া চেৱাৰে ফাল, বাই মালিনী, কলীয়া চেৱাৰে ফাল ।

যদি মিছা কৈছোঁ তই, বাই মালিনী, চৰিয়াই ফালিবি গাল ॥'
হাততে হাকুটি, কাৰতে কৰণি, মালিনী বাৰীলৈ গল।
ফুলনিৰ ৰূপকে দেখি বাই মালিনী তেনেয়ে বিচুৰ্ত্তি হল ॥
হাই দি তুলিবৰ লাই, নো মালিনী, হাই দি তুলিবৰ লাই।
কোঁৱৰক দেখি মালিনী বায়ে, এবেলা আছিলে চাই ॥
মুখলৈ কি চাবা সোণৰে দাপোণে, চকু সৰগৰ তৰা।
দেওনে মনিছে চিনিব নোৱাৰোঁ, আহাঁ কোন থানৰে পৰা ॥

তাৰ পাছত অৱশেষে ফুলকোঁৱৰে মালিনীক নিজৰ চিনাকি দি ক'লে, "ছমাহৰ বাটকে উকৱাই আনিলে, সাদিন নাহিকে ভাত।" আৰু মালিনীয়েও আপোন চিনাকি দিলে—"নগৰত আছে পস্তলা গাভৰু, তেওঁৰ ফুল-যোগাতী মই।"—

উৰণীয়া চৰায়ে উৰিবলৈ এৰিলে, শিপিনীয়ে এৰিলে তাঁত।
কোনে তুলি দিব নাদৰ পানীটুপি, কোনে বান্ধি দিব ভাত ॥
কি পহু মাৰিবৰ শৰ, মোৰ কোঁৱৰ ঐ, কি পহু মাৰিবৰ শৰ।
বুঢ়ী বেটীৰ ঘৰলৈ যাব যে খুজিছা, ঘৰৰ নাহিকে থৰ ॥

বিপ্ৰ দামোদৰে হেঁপাহেৰে নিয়া খোজনীয়া খুদ্‌খুঠি কৃষ্ণই মুখত দিয়াৰ ফলত ঘূৰি গৈ বিপ্ৰই চিনিব নোৱৰাকৈ তেওঁৰ ঘৰৰ ৰূপ সলনি হোৱাৰ দৰে সেই আতিথ্যৰ সূচনাত মালিনীৰ ঘৰৰো অভাৱনীয় সলনি হল—

'সোণৰ কাঠি-কামি, ৰূপৰ মাৰলি, চ'তিত মুকুতা জ্বলে।
নিজ ঘৰ নিচিনি, অ' বাই মালিনী, সৰকি আহিলি তলে ॥'
'মাতৰো নাজানো ভাৱ, মোৰ কোঁৱৰ ঐ, কথাৰো নাজানো থান্দি।
বুঢ়ী-বেটীৰ ঘৰটো ক'তে বা হেৰালে, কেনেকৈ পামগৈ চান্দি ॥'
এহাতে ধৰিছে পহুমৰ ঠাৰি, এহাতে ধৰিছে পাহি।
সেই কথা শুনি ঠাকুৰা কোঁৱৰে মিচিকাই পেলাহে হাঁহি ॥
'জাতি হেঙুলৰ বীণ, বাই মালিনী, জাতি হেঙুলৰ বীণ।
ঘৰৰে মূধতে তামোলৰ ঢকুৱা, তাতে ধৰিবা চিন ॥"

ভিতৰত দেখিলে সোণৰ খাট-পালং, পধূলিত চামৰে পীৰা।
গেলা পঁইতা গৰ্হা নিবলৈ আহোঁতে পালে দোৱা-ভঙ্গা চিৰা॥
খেদে গৰখীয়াই টাঙনি আতোলা, খেদে গৰখীয়াই হই।
নেদেখা কথাকে দেখি মালিনীয়ে এবেলা আছিলে ৰই॥

খাই-বৈ জিৰাই-শঁতাই ফুলকোঁৱৰে অনা-জৰীৰে বাৰ ধাৰি মালা গাঁথি মালিনীৰ হাতেদি পস্তলা গাভৰুলৈ পঠাই দিলে—

'এৰিলি এবুৰি, এৰিলি ছবুৰি, এৰিলি নদীৰে কূল।
এই নো বাৰ মলা ফুল ক'তে পালা, কোনে গুঁথিছিল ফুল॥'
'এৰিলোঁ এবুৰি, এৰিলোঁ ছবুৰি, এৰিলোঁ নদীৰে কূল।
লিহিৰি-পিহিৰি কোঁৱৰ কুমলীয়া, তেৱেঁ গুঁথিছিল ফুল॥
পোৱালি হাতীৰে শুৰ, মোৰ পস্তলা, পোৱালি হাতীৰে শুৰ।
অনা-জৰীৰেই গুঁথিছিল মলা, তাৰো ভাঙি কওঁ ওৰ॥
হাই দি তুলিবৰ লাই, মোৰ গাভৰু, হাই দি তুলিবৰ লাই।
এই ফুল-মলা গাঁথিছিল কোঁৱৰে তোমাৰে খোপালৈ চাই॥
অনা-বতাহত লৰে থুৰীপাত, মাটি সবলৰ লাই।
এই ফুল-মলা গাঁথিছিল কোঁৱৰে তোমাৰে খোপালৈ চাই॥
ঢাপৰ কাণ-কটা সিজু, মোৰ পস্তলা, ঢাপৰ কাণ-কটা সিজু।
লিহিৰি-পিহিৰি কোঁৱৰে গাঁথিছিল, খোপাত থাই যাব ৰিজু॥
এই ফুল-মলা গুঁথিছিল কোঁৱৰে, মাজতে খৰিকা-জঁাই।
শীতলে-পিতলে কোঁৱৰ কুমলীয়া, দেখিলে থাকিবা চাই॥'
'পাট-কঠালৰ শ্যাম, বাই মালিনী, পাট-কঠালৰ শ্যাম।
লিহিৰি-পিহিৰি কোঁৱৰ কুমলীয়া, কেনে কৰি দেখা পাম॥'
এই ফুল-মলা গুঁথিছিল কোঁৱৰে, তাৰো লিখা নাই বিহা।
লিহিৰি-পিহিৰি কোঁৱৰক দেখিলে দলিয়াই দি যাবা ৰিহা॥
শীতলে-পিতলে কোঁৱৰ কুমলীয়া, দেখিলে পেলাবা ইাহি॥
এই ফুল-মলা গুঁথিছিল কোঁৱৰে, তাৰো লিখা নাই পাহি।'
'চাঁদ সুৰুযলৈ চাবা, বাই মালিনী, চাঁদ-সুৰুযলৈ চাবা।
লিহিৰি-পিহিৰি কোঁৱৰ কুমলীয়া, এতিয়াই পঠিয়াই দিবা॥'

'শিয়ালে কৰিব 'হোৱা', মোৰ কোঁৱৰ ঐ, শিয়ালে কৰিব 'হোৱা'।
কালিন্দী ভোমোৰা হই, মোৰ কোঁৱৰ ঐ, পস্তলাৰ গুৰিলৈ যোৱা ॥'

এইখিনি ঘটনা উষা-অনিৰুদ্ধৰ পৰিণয়ৰ লগত মিলে। তাৰ পাছৰ কথাখিনি সহজে অনুমান কৰিব পাৰি—

ওপৰে উৰিলে কৰ্হ্ন কন্নুৰা, তাৰো নসৰিলে পাখি।
আজি কিছু কৰি, কালি কিছু কৰি, পস্তলাক থীপোৱা দেখি ॥
পস্তলাৰ নগৰখন কোৰোকা-কুকৰি লয় বৌ মাছে খোৰ।
সেই কথা শুনি বাপেক নৃপতিয়ে তললৈ কৰিলে মুৰ ॥
পোৱালি হাতীৰে শুৰ, ঐ গাভৰু, পোৱালি হাতীৰে শুৰ।
ঘোৰ মাজ-নিশা ফুল-কোঁৱৰক, কোনে ধৰি দিলে চোৰ ॥
কিনো বাঁহৰে উঘাকৈ চেৰেকি, কিনো বাঁহৰে লেটাই।
ফুল কোঁৱৰক কোনে ধৰি নিলে, দিলেগৈ বজাক ভেটাই ॥

পশু-পুৰাণৰ সাধুবোৰ অসমীয়াৰ দৰে ফৰাছী আদি সাহিত্যতো পাবলৈ আছে; কিন্তু ফুল-পুৰাণৰ এনে কাব্য বিৰল বুলিয়ে মনে ধৰে। পৰবৰ্তী জনা-গাভৰু আদিৰ গীত-কাব্যবোৰত মণিকোঁৱৰ-ফুলকোঁৱৰৰ প্ৰভাৱ পাহৰিব নোৱাৰি। সৌ-সিদিনালৈকে মুখে মুখে চলি অহা হেতুকে ইয়াৰ মূল ভাষা আৰু ছন্দৰ বিষয়ে কোনো কথা ডাঠি কোৱা টান; কিন্তু ইয়াৰ বাহিক ডুলড়ি বা ত্ৰিপদীৰ গঢ়ত পৰবৰ্তী যুগৰ অক্ষৰ-বৃত্ত ছন্দতকৈ বা আদিম অনুপ্ৰাস-প্ৰধান স্বৰ-বৃত্ত ছন্দৰ প্ৰভাৱ একেবাৰে অস্তমিত হোৱা নাই, তাক সহজেই কব পাৰি।

# অসমীয়া সাহিত্যৰ অধ্যয়ন

## দ্বিতীয় পুথি

### মধ্যযুগীয় বৌদ্ধ-শাক্ত-মনসা কাব্য


১। বৌদ্ধ দোহা
২। দেহ-বিচাৰ
৩। ডাকৰ বচন
৪। মন্ত্ৰ-সাহিত্য
৫। শৈৱ গীত
৬। আই নাম
৭। মনসা কাব্য



শ্ৰীডিম্বেশ্বৰ নেওগ



গুৱনী প্ৰকাশ
তিষ্ পুৰ, গুৱাহাটী
১৯৬৩

# উছৰ্গা

অসমৰ চিন্তাই যাৰ উশাহ-নিশাহ আছিল; নিজৰ ঘৰ-সংসাৰ দুখ-
দৈন্য একোলৈকে কটাহিত নকৰি যি এই সমাজ আৰু জাতিৰ
উন্নতিৰ ধ্যানত আমৰণ মগ্ন আছিল; জ্ঞান আৰু নিষ্ঠাত
ভীষ্ম-প্ৰতিম হৈ তিনি কুৰি বছৰৰো ওপৰ অসমীয়া
সাহিত্যত মহৰ্ষিসুলভ দিব্য দৃষ্টিৰে ৰথ
পৰিচালনা কৰি এফালে যেনেকৈ চিন্তাৰ
অনল উগাৰিছিল, আনফালে
তেনেকৈ চিন্তাৰ তৰঙ্গত দেশক
স্নাত কৰাইছিল;
সেই

## কমলাকান্ত ভট্টাচাৰ্য্যৰ

পৱিত্ৰ সোঁৱৰণত

# চৰ্য্যাচৰ্য্যবিনিশ্চয়—বৌদ্ধ দোহা

নেপাল দৰবাৰৰ গ্ৰন্থশালত ৰক্ষিত চৰ্য্যাচৰ্য্যবিনিশ্চয় নামৰ মূল পুথিৰ পৰা ১৯০০ ত টুকি অনা বৌদ্ধ দোহাখিনি বঙ্গৰ হৰপ্ৰসাদ শাস্ত্ৰীয়ে 'এক হাজাৰ বছৰৰ আগৰ বঙলা ভাষা'ৰ নিদৰ্শন বুলি প্ৰকাশ কৰাৰ লগে লগে পূব-ভাৰতীয় আধুনিক ভাষাবোৰৰ ভিতৰত এটি আলোড়ন হয়। প্ৰথমতে, বঙালীৰ বাহিৰে হিন্দী, উড়িয়া, মৈথিলী আৰু পিছে পিছে অসমীয়ায়ো এইবোৰ নিজ নিজ ভাষাৰ পক্ষে দাবী কৰে ; আৰু দ্বিতীয়তে, আধুনিক এই উত্তৰ পূব-ভাৰতীয় ভাষাবোৰৰ আদিম নিৰ্ভৰযোগ্য লিখিত নিদৰ্শন ইয়াৰ বাহিৰে নাইও। এংলো-ছেক্সন সাহিত্যৰ লগত ইংৰাজীৰ যি সম্পৰ্ক এই দোহাবোৰৰ ভাষাৰ লগত এই উত্তৰ-পূব ভাৰতীয় ভাষাগোষ্ঠীৰ প্ৰত্যেকৰে সৰহ-তাকৰ তাতকৈ ওচৰ সম্বন্ধ যে সন্দেহ নাই।

চৰ্য্য বা আচৰণীয়, আৰু অচৰ্য্য বা অনাচৰণীয়, বিনিশ্চয় বা নিৰ্দ্ধাৰণ ইয়াৰ নামৰ অৰ্থ ; বৌদ্ধ ঘাইকৈ সহজ-যান পন্থৰ ই বিধি-নিষেধৰ পুথি। ইয়াত মুঠতে একুৰি তিনিজন বৌদ্ধ সিদ্ধ কবিৰ দুকুৰি ছয়টা সম্পূৰ্ণ গীত পোৱা হয়। বৌদ্ধ আৰু বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক তত্ত্ব-তথ্যৰ সুমেৰু-কুমেৰু ভেদ মানি লৈ, ইয়াৰ প্ৰায় ৬০০।৭০০ বছৰৰ পিছৰ বৰ-গীতৰ লগত ইয়াৰ বাহিৰৰ গঢ়ৰ আচৰিত মিল দেখিবলৈ পোৱা হয়। বৰগীতৰ দৰেই এই বৌদ্ধ গানবোৰো নিৰ্দিষ্ট ৰাগত বন্ধা, অক্ষৰ-বৃত্ত মিলিতান্ত ছন্দৰ নাতিদীৰ্ঘ, শিক্ষাপূৰ্ণ, দাৰ্শনিক তথ্যযুক্ত ঘনীভূত ভাষাৰ ৰচনা। বিশেষ ধ্যান-ধাৰণাৰেহে অৰ্থ উলিয়াব পৰা হয় দেখি এইবোৰ "সন্ধ্যা" ভাষাত ৰচিত বোলা হৈছিল। বিশিষ্ট শব্দাৱলী আৰু ব্যাকৰণতো এই গোষ্ঠীৰ আন আন ভাষাতকৈ অসমীয়াত মিল সৰহ ; লুইপাদ, সৰহ-পাদ আদি চাৰি-পাঁচজন কবি পুৰণি অসমৰ বুলি দাবী কৰা হয়।

হিন্দু দৰ্শনৰ "ব্ৰহ্ম সত্য জগন্মিথ্যা" তথ্যৰ দৰে, "সৰ্বং অনাত্মম্ নিৰ্বাণং শান্তম্" তথ্যই এই বৌদ্ধ গানবোৰৰ সাৰ-বাণী বুলিব পাৰি। অহং ভাবৰ বিলোপ-সাধন বা বাসনাৰ নিবৃত্তিয়েই নিৰ্বাণ, এই নিৰ্বাণেই দুখ নিৰোধৰ

প্ৰকৃষ্ট উপায়, আৰু গুৰুমুখী বিদ্যাৰ বলেৰেহে ইয়াক সাধন কৰিব পাৰি, এনেবোৰেই সৰহখিনি গীতৰ মূল কথা। তদুপৰি কিছুমান দোহা অতি ৰহস্যবাদী; দেহ-বিচাৰ নাড়ী-তত্ত্ব আদি অনেক কথা ৰূপকভাৱে অতি বিত্তোপনকৈ বৰ্ণোৱা হৈছে, গতিকে ইয়াৰ কাব্য-মূল্যও যথেষ্ট আছে। বৌদ্ধ গীতবোৰত অতি তাকৰ কথাৰে অতি সৰহ ভাব, সন্নাৰো উপৰি তাৰ দাৰ্শনিক তথ্য বা শিক্ষা শাল মৰা দি পঢ়োঁতাৰ মনত কেনেকৈ সুমুৱাই দিয়ে তেনে বিষয়ত ই আধুনিক ছনেট বা চতুৰ্দ্দশ-পদীৰ দৰে। প্ৰথমটি দোহাৰেই উদাহৰণৰ মূৰ মেলা হওক; তাতেই উক্ত প্ৰায়বোৰ গুণ দেখা পোৱা হব:

### ১। ৰাগ পটমঞ্জৰী লুইপাদানাম্

কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীঅ পইঠো কাল॥
দিঢ় কৰিঅ মহা সুহ পৰিমাণ।
লুই ভণই গুৰু পুছিঅ জাণ॥
সঅল সমাহিঅ কাহি কৰিঅই।
সুখ-দুখেতেঁ নিচিত মৰিঅই॥
এড়ি এউ ছান্দক বান্ধ কৰণেক পাটেৰ আস।
সুন্নু পাখ ভিতি লেহুৰে পাস॥
ভণই লুই আমহে ঝাণে দিঠা।
ধমণ চমণ বেণি পিণ্ডি বইঠা॥

ভাঙনি: 'কায়া তৰু, পঞ্চ (কৰ্মেন্দ্ৰিয়) তাৰ ডাল। চিত চঞ্চল, তাত সোমায় কাল॥ চিত দৃঢ় কৰি মহাসুখৰ (নিৰ্বাণৰ) লোৱাঁ পৰিমাণ। লুইএ ভণে গুৰুক পুছি লোৱাঁ জ্ঞান॥ সকলো সমাধি লৈয়েই বা কি কৰিবাঁ। সুখ-দুখত নিশ্চিতভাৱে মৰিবাঁ॥ এৰি এই বাসনাৰ বান্ধ, ইন্দ্ৰিয়-তৃপ্তিৰ আশ। শূন্য (নিৰ্বাণ) পক্ষৰ ভিত্তিৰ লোৱাঁ হেৰা পাশ॥ ভণে লুইএ আমি ধ্যানত দেখা। ধমন-চমন দুই যোগ-পীড়িত বসাঁ॥' ইয়াত ব্ৰাহ্মণ্য সাধন-পন্থাৰ

নিন্দা কৰি বৌদ্ধ যোগ-সাধনত গুৰুত্ব দিছে। আন এটি গীতত তেনেকৈ মনক তৰুৰে তুলনা কৰিছে :

৪৫। ৰাগ মল্লাৰী—কাহ্নু পাদানাম্

মন তৰু পাঞ্চ ইন্দি তসু সাহা।
আসা বহল পাত ফল বাহা ॥
বৰ গুৰু বঅণ কুঠাৰে ছিজঅ।
কাহ্ন ভণই তৰু পুণ ন উইজঅ ॥
বাঢ়ই সো তৰু সুভাসুভ পানী।
ছেৱই বিদুজন গুৰু পৰিমাণী ॥
জো তৰু ছেব ভেব উন জানই।
সড়ি পড়িআঁ ৰে মূঢ় তা ভৱ মাণই ॥
সুণ তৰুবৰ গঅণ কুঠাৰ।
ছেৱহ সো মূল ন ডাল ॥

ভাঙনি : 'মন তৰু, পঞ্চ ইন্দ্রিয় তাৰ শাখা। আশা বহল পাত, ফল বাসা (বাসনা)॥ বজ্র (যান) গুৰুৰ বচন (ৰূপ) কুঠাৰে ছেদিব। কাহ্নুৱে ভণে, তৰু পুনু নুপজিব ॥ বাঢ়ে সেই তৰু (পাই) শুভাশুভ পানী। ছেৱয় বিদ্বৎজনে গুৰু পৰিমাণি ॥ যেয়ে তৰু ছেৱ-ভেৱ একো নজানয়। সৰি পৰি সেই মূঢ়ে ই ভৱ মানয় ॥ শূন্য (হ'ল) তৰুবৰ, গগন (শূন্যবাদ-জ্ঞান) কুঠাৰ। ছেৰাঁ সেই তৰু, নাৰাখিবা মূল-ডাল ॥'

অপভ্রংশৰ অন্যতম নিদর্শন ৰূপে (শ্রীবিৰিঞ্চি কুমাৰ বৰুৱাৰ "অসমীয়া ভাষা আৰু সংস্কৃতি"ৰ পৰা) কেইটিমান বিতোপন কবিতা তুলি আমাৰ ভাঙনিৰে এই প্ৰসঙ্গৰ সামৰণি মৰা হ'ল :

"সক্কয় বাণী বুহঅন ভাবই।
পাউঅ ৰস কো মম্মন পাৱই ॥